# Title: Preserving the Culture and Heritage of the Tai Phake People of Namphake Village in Dibrugarh, Assam

Namphake is a small village situated on the banks of the Burhidihing River, in the Dibrugarh district of Assam. The village is home to the Taifake people, a distinct community with a unique culture, history, and way of life. The Taifake people are an ethnic minority in India and are recognized as a Scheduled Tribe by the Indian government. Despite their small size, the Taifake people have managed to maintain their cultural identity and traditions over the years.The Taifake people have a rich history that dates back to the Ahom Kingdom in Assam, where they were known as Tai-Ahom. Over time, the Tai-Ahom split into different sub-groups, including the Taifake people. The Taifake people migrated from their original homeland in Burma and settled in the Namphake village around the 19th century. Today, there are around 2,500 Taifake people living in the village, making up about 500 households.The Taifake people have a unique culture and lifestyle that is deeply rooted in their history and traditions. The Taifake people have their own language, which is a dialect of the Tai language. They are known for their expertise in weaving, handicrafts, and agriculture. The women of the community are skilled weavers, and their traditional handloom products are popular among tourists. The Taifake people are also known for their love of music and dance. Their traditional dance, known as the Bihu dance, is performed during the harvest season and is a celebration of their culture and way of life. The Taifake people practice a unique blend of Buddhism and animism. They believe in spirits that inhabit the natural world and have their own set of rituals and traditions. The Taifake people celebrate several festivals throughout the year, including the Bihu festival, which marks the start of the Assamese New Year. During this festival, the community comes together to celebrate with music, dance, and feasting.Despite their rich cultural heritage, the Taifake people face several challenges in modern times. The community is grappling with issues such as poverty, lack of access to education and healthcare, and migration. Many young people from the community are leaving the village in search of better opportunities, and there is a risk of the Taifake culture and traditions being lost in the process. . With all these aspects in mind, the proposed topic was studied by the students of the deptt. Of Assamese With the help of Mrs. Nilima Baruah, Vice Principal and Associate Professor of Assmese Deptt. Mr.Tulu Fukan, Head of Department, Dr. Mala Hazarika, Assistant Professor and Ms.Rupjyoti Nath ,part-time teacher of Assamese Department, on **13/09/2017** at Namphake Village of Dibrugarh for a field study.

19/9/2017

(Dr. Ashfia Sultana)

Principal, Amguri College, Amguri.

Principal
Amguri College, Amguri

(Dr. Mala Hazarika)

Teacher in Charge.

Assistant Professor,Assamese Deptt.

Amguri College, Amguri.

Preserving the Culture and Heritage of the Tai-Phake People of Namphake Village in Dibrugarh, Assam

# ঐতিক ঐশ্বৰ্য



Department of Assamese
Amguri College, Amguri

# টাই ফাকে সকলৰ সংস্কৃতিৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন

**টাই ফাকে সকলৰ পৰিচয় :-** অসমৰ পৰ্যটন ক্ষেত্ৰসমূহ যে মাথোঁ প্ৰকৃতিৰ ফালৰ পৰা চহকী তেনে নহয়, বিভিন্ন সংস্কৃতি, পৰম্পৰাৰ উপস্থিতিয়ে অসমখন ৰম্য কৰাৰ লগতে পৰ্যটনৰ ক্ষেত্ৰসমূহক আৰু সুৰসা হোৱা স্বৰূপ কৰি তুলিছে। তেনে উদাহৰণ সমূহ পৰিলক্ষিত হয় অসম তথা উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত বিভিন্ন জাতি-জনজাতিৰ কৃষ্টি সংস্কৃতি পৰম্পৰা সমূহে পৰ্যটনৰ চকুৰ সুকাল কৰি দিছে। কোনো এচাম লোক আকৌ তেওঁলোক স্বকীয়া সংস্কৃতি আৰু পৰম্পৰাৰ কাৰণে বিশ্ববিখ্যাত। আজি আমি অসমৰ নাহৰকটীয়াত অৱস্থিত এনে মনোমোহা গাঁৱৰ কথা কওঁ লৈছো। যাৰ উপস্থিতিয়ে দেশী-বিদেশী পৰ্যটকক আকৰ্ষণ কৰাৰ লগতে আমাকো বহুত আপ্লুত কৰি তুলিছে।

নাহৰকটীয়া জিলাৰ পৰা ১৪ কিঃমিঃ আঁতৰত অৱস্থিত এই গাঁওখনৰ নাম হৈছে নামফাকে গাঁও"। টাইফাকে গাঁও নামেৰেও জনাজাত এই গাঁওখন হৈছে টাইফাকে জাতিটোৰ এটি বৰ সৰ্ববৃহৎ গাঁও। প্ৰায় ১৫০ টা পৰিয়ালেৰে সমৃদ্ধ টাই লোকসকলে পুৰণি বৌদ্ধধৰ্মৰ ঐতিহ্য

আৰু পৰম্পৰা বহন কৰি আহিছে। গাঁওখনৰ মুখ্য আকৰ্ষণ হৈছে বৌদ্ধ মঠটি। তাত থকা বৌদ্ধ ভিক্ষুসকলে ধ্যানৰ হিচাপে ব্যৱহাৰ কৰে। এই মঠটিত এটা অশোক বৃক্ষৰ উপস্থিতিয়ে ঠাইখনৰ শোভা দুগুণে বঢ়াইছে। আমাৰ সকলোকে আকৰ্ষণ কৰা আন এক বিষয়বস্তু হৈছে 'মুছলিন্দা' পুখুৰী। এই পুখুৰীটোত বুদ্ধদেৱৰ অতি সুন্দৰ মূৰ্তি স্থাপন কৰা হৈছে। বৌদ্ধ মঠটিৰ ভিতৰৰ সাজ-সজ্জাও মনকাঢ়িবলগীয়া, শান্ত আৰু পবিত্ৰ বাতাবৰণত থকা এই মন্দিৰৰ ভিতৰতে ৬ ফুট উচ্চতাৰ বুদ্ধদেৱৰ মূৰ্তিটোৱে মন্দিৰৰ সৌন্দৰ্য্য দুগুণে বঢ়াইছে।

ইতিহাসৰ মতে টাই ফাকে জাতিৰ লোকসকল হ'ল সুদূৰ ১৮ শ শতিকাতে অসমলৈ অহা আহোমসকলৰ বংশধৰ। নামফাকে গাঁওখন তেওঁলোকৰ টাই লোকসংস্কৃতিৰে ভৰপুৰ, তেওঁলোকে টাই ভাষা ব্যৱহাৰ কৰে। গতিকে গাঁওখনলৈ যোৱাৰ লগে-লগে আমি টাইজনগোষ্ঠীৰ ৰীতি-নীতি তথা তেওঁলোকৰ পৰম্পৰাসমূহ জানিব পাৰিলোঁ। তেওঁলোকে মাৰ্চ মাহত পই-নেন-চিচ উৎসৱ উদ্‌যাপন কৰাৰ উপৰিও এপ্ৰিল মাহত 'পয়চাংকেন' উৎসৱ উদ্‌যাপন কৰে। নামফাকে গাঁওখনত উপস্থিত হৈ আমি পৰম্পৰাগত নৃত্য গীতৰ লগতে খলুৱা খাদ্যৰো সোৱাদ ল'ব পাৰিলোঁ।

**টাই ফাকে সকলৰ সমাজ :** টাই ফাকেসকলৰ সমাজ ব্যৱস্থা সাধাৰণতে নিয়ন্ত্ৰিত হয়। তেওঁলোকৰ

মাজত কোনো দেশৰ প্ৰশাসক স্বৰূপে একাৰ প্ৰধান নাই। তেওঁলোকৰ গাঁওসমূহত একোজনীক গাঁওবুঢ়া থাকে। তেওঁৰ নিৰ্দেশমতে গাঁৱৰ সমাজ ব্যৱস্থা চলে। সাধাৰণতে সিজন আটাইতকৈ অভিজ্ঞ বা সামাজিক কাম-কাজত দক্ষ তেওঁক ৰাইজে সমূহীয়া মেলত নিৰ্বাচন কৰে।

টাইফাকেসকলৰ সমাজত বাল্যবিবাহ নাই। এজন পুৰুষে কেইবাজনকী তিৰোতা বিয়াহ কৰোৱা প্ৰথা প্ৰচলিত যদিও বিধৱাই পুনৰ স্বামী গ্ৰহণ কৰিব পাৰে। বিয়াৰ দিনা ছোৱালীয়ে গা-ধেন দিব লাগে আৰু সেই দেন সাতুৰ উকাৰ পৰা তিনিদিন উকৌল হয় পাৰে। আনহাতে ফাকেসকলৰ সমাজত পোহৰ বজুৰ তলৰ বিলাকে মৰিলে পোতে আৰু ওপৰবিলাকক জুই দিয়ে। তেওঁলোকৰ পৈতৃক সম্পত্তিৰ ভাগ কেৱাই পায় ছোৱালীয়ে নাপায়। তেওঁলোকৰ মাতৃভাষা টাইভাষা যদিও বৰ্তমান সমাজব্যৱস্থাত সকলোৱে অসমীয়া ভাষা বুজি পায় আৰু কব পাৰে। তেওঁলোকৰ মাজত শিক্ষিত সংখ্যা কম যদিও তেওঁলোকৰ মাজত প্ৰচলিত হৈ থকা সমাজব্যৱস্থাই আন আন জনগোষ্ঠীৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছে।

**টাই ফাকে সকলৰ সাজপাৰ আৰু অ- অলংকাৰ :-**

ফাকে সমাজত আঁঠ উনা ৰঙীন মেখেলা পৰিধান কৰে। এই মেখেলাক তেওঁলোকে 'চিন' বুলি কয়। এই 'চিন'খনত কোনোধৰণৰ ফুলৰ আৰ্হি থাকে কিন্তু বিভিন্ন ৰঙৰ সূতাৰ সামঞ্জস্যপূৰ্ণ আৰু সুসংগত প্ৰয়োগে এই চিনখনক যথেষ্ট আকৰ্ষণীয় কৰি তোলে। চিন খনৰ বয়নশৈলীও মনকৰিবলগীয়া। এই চিনখনক প্ৰস্তুত কৰোঁতে ফাকে মহিলাসকলে

কলা সূতাৰ দীঘ দিয়ে। প্ৰথমে চিনমনৰ ওনৈ জলত অৰ্থাৎ পানী গাঁথিত পৰা অংশটো অৰ্থাৎ 'চিনচিন' হৈছে চেংখিং- ৰচুল জোকোৰে বোৱা হয়। এই চিনচিনৰ পাছৰ অংশটো প্ৰথমে হালধীয়া বেঙুনীয়া, সেউজীয়া কলা বগা আৰু গোলপীয়াৰে শেষ কৰে। বিবাহিতা মহিলাই কঁকালত নাংৱাত মেৰাই লয়। মহিলাসকলে চু্য পিন্ধি গাত এখন চাদৰ লয়। কঁকালত মুগা বৰণীন পেটীজালক তেওঁলোকে চাইচিন বোলে। গাভৰুসকলে কঁকালত চু আৰু গাত চিন পিন্ধে।

টাই ফাকে সকলৰ সমাজত বয়স অনুসৰি পৰিধান কৰা সাজপাৰৰ বহুৰ কিছু তাৰতম্য ঘটা দেখা যায়। সমাজত ডেকা-গাভৰু আৰু নতুন-বোৱাৰী সকলে উজ্জ্বল ৰঙৰ চকুত লগা সাজ-পাৰ পৰিধান কৰে। তেওঁলোকে হাতত বেল্টান, পটীয়া আৰু, গামখাৰু, আঙুলিত বিভিন্ন প্ৰকাৰৰ লংচ'প চকৰ পাতা আঙঠি ফুংপং আদি পৰিধান কৰে। কাণত তেওঁলোকে প্ৰধানকৈ কেনপু আৰু চেংকাই পৰিধান কৰা দেখা যায়। খোপাত তেওঁলোকে সোণ বা ৰূপৰ এপাহি ফুল গুজি লয়। এই ফুলপাহিক তেওঁলোকে মাইক্যাত'হ বোলে।

**টাই ফাকে সকলৰ খাদ্যাভ্যাস :-** টাইফাকে সকলৰ সমাজত চেলা দিয়া ভাত কৌপাতত মেৰিয়াই খাওঁহে প্ৰস্তুত কৰা হয়। টাইফাকে সকলে বাৰীত প্ৰতিবে বিভিন্ন প্ৰকাৰৰ বাঁহ ৰোপণ কৰে। এইবিধে

বাঁহৰ চুঙাত চাউলৰ আস্বাদ অতুলনীয়। পৰম্পৰা-গতভাৱে প্ৰস্তুত কৰা এই খাদ্যবিধক তেওঁলোকে খাওলাম বোলে। তেওঁলোকৰ মাজত খাওকুন, চপাংখৌমান, খাওপুক, টাংতেপ আদি বিভিন্ন বিধ মুখৰোচক পিঠা-পনাৰো প্ৰচলন আছে। পৰম্পৰাগত পদ্ধতিৰে প্ৰস্তুত কৰা খাওতেক তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠানসমূহত বহুলভাৱে ব্যৱহৃত হোৱা দেখা যায়। টাইফাকেসকলৰ মাজত মাছ-মাংস আদি আমিষ আহাৰো প্ৰচলন হোৱা দেখা যায়।

**টাইফাকেসকলৰ জনজীৱন আৰু উৎসৱ:-** টাইফাকে লোকসকলে বৌদ্ধধৰ্মী, তেওঁলোকৰ প্ৰতিখন গাঁৱতে একোটা বৌদ্ধবিহাৰ থাকে। বৌদ্ধধৰ্মৰ নীতি-নিয়ম সমূহ তেওঁলোকে অনু:কৰণেৰে মানি চলে। টাইফাকে সকলে ঋতু অনুযায়ী কেইবাটাও লোকউৎসৱ পালন কৰে। ইয়াৰ ভিতৰত পয়চাংকেন, পয়কিথিং, পয়অকৰা, পয়মৌখেইং পয়পয়তেচা আদি অন্যতম। পয়চাংকেন উৎসৱৰ যোগেদি টাইফাকে সকলে নৱবৰ্ষক আদৰণি জনায়। বহাগ মাহৰ সংক্ৰান্তিৰ সময়ত উদ্‌যাপিত হয় বাবে এই উৎসৱক পয়চাংকেন বা চাংকেন বোলা হয়। এই পয়চাংকেন উৎসৱত গাঁৱৰ ডেকা-গাভৰু, বুঢ়া-মহিলা লৰা-ছোৱালী সকলোৱে ইজনে-সিজনৰ গালৈ পানী ছটিয়াই ৰং-ৰহইচ কৰে। এনে কৰিলে বছৰটোৰ বাবে বিপদ-বিঘিনি দূৰ হয় বুলি তেওঁলোকে বিশ্বাস কৰে।

উল্লিখিত আলোচনাৰ পৰা আমি কব পাৰো যে টাইফাকেসকল হৈছে টাই জনগোষ্ঠীৰ এটা বৃহৎ অংশ। এই জনগোষ্ঠীৰ লোকসকল বৰ্তমান অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া জিলাৰ লগতে অৰুণাচল প্ৰদেশৰ লোহিত আৰু চাংলাং জিলাত বাস কৰি আহিছে। এই জনগোষ্ঠীৰ লোকসকলে জাতীয় জীৱনৰ প্ৰতিটো দিশতে নেতৃত্ব বহন কৰাৰ লগতে ভাষা, সাহিত্য, গীত-মাত, পৰম্পৰাগত আচাৰ অনুষ্ঠান, উৎসৱ, সাজপাৰ, খাদ্যভ্যাস আদি সকলো ক্ষেত্ৰতে তেওঁলোকে সাংস্কৃতিক ঐতিহ্য বহন কৰি আহিছে। ইয়াৰোপৰি টাইফাকেলোকসকল হৈছে বৌদ্ধ ধৰ্মাৱলম্বী লোক। তেওঁলোকে সুকং উপত্যকাত বসবাস কৰাৰ সময়ৰ পৰাই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰাত তেওঁলোকৰ সমাজত বৰ্তমান লোক-পৰম্পৰাৰ লগতে ধৰ্মীয় পৰম্পৰাও যথেষ্ট গুৰুত্ব লাভ কৰি আহিছে। তেওঁলোকে পালন কৰা উৎসৱ, লোকাচাৰ, সামাজিক অনুষ্ঠান আদিত পৰম্পৰাগত লোকবিশ্বাস আৰু ধৰ্মীয় ৰীতি-নীতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। ৮৩

তথ্য দাতা

| নাম | বয়স | গাঁও |
| --- | --- | --- |
| ঐন চাম্মাৰ | ২৫ | নামফাকে |

শ্ৰী দিম্পী গগৈ
স্নাতক পৰ্যায় ষান্মাসিক